জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৮১০/২০২০**

## ডিব্ৰুগড় জিলাৰ ধেমেচীত অসম দিৱসৰ কাৰ্যসূচীত অংশ গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰী সোণোৱালে

# স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ সমন্বয় আৰু কৰ্মোদ্যমৰ আদৰ্শেৰে আগুৱাই যাবলৈ ৰাজ্যবাসীক আহ্বান মুখ্যমন্ত্ৰী সোণোৱালৰ

## বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠংচিক চ্যুকাফা বঁটা প্ৰদান কৰিলে মুখ্যমন্ত্ৰী সোণোৱালে

**দিছপুৰ, ২ ডিচেম্বৰ ঃ** ‘স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ সাম্য-মৈত্ৰীৰ আদৰ্শৰে অসমক কেৱল ভাৰতবৰ্ষৰে নহয়, সমগ্ৰ দক্ষিণ-পূব এছিয়াৰ সমন্বয়ৰ ক্ষেত্ৰ হিচাপে গঢ়ি তুলিব লাগিব। চ্যুকাফাই দেখুৱাই যোৱা কঠোৰ পৰিশ্ৰম, সাহস আৰু দূৰদৰ্শী চিন্তাধাৰাৰে আগবাঢ়ি অসমখন অধিক শক্তিশালী আৰু প্ৰাণৱন্ত কৰি তুলিবলৈ সকলোৱে নিষ্ঠা আৰু দায়বদ্ধতাৰে পদক্ষেপ ল’ব লাগিব।’ অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত আৰু ডিব্ৰুগড় জিলা প্ৰশাসনৰ সহযোগত মৰাণ বিধানসভা সমষ্টিৰ অন্তৰ্গত ধেমেচী উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত কেন্দ্ৰীয়ভাৱে আয়োজিত ‘অসম দিৱস’ৰ কাৰ্যসূচীত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়। ‘অসম দিৱস’ৰ এই অনুষ্ঠানতে মুখ্যমন্ত্ৰী সোণোৱালে বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠংচিক ২০২০ বৰ্ষৰ চ্যুকাফা বঁটা প্ৰদান কৰে। এই বঁটাত আছে এখন গামোচা, চাবকান, হেংদাং, সফুৰা আৰু তিনি লাখ টকাৰ চেক্।

চ্যুকাফা দিৱসৰ কাৰ্যসূচী অনুসৰি মুখ্যমন্ত্ৰী সোণোৱালে পূৰ্বপুৰুষৰ স্মৃতিচাৰণ অনুষ্ঠান বানফ্‌ত অংশ লৈ তাই পুৰোহিতৰ মন্ত্ৰোচ্চাৰণৰ মাজত আৰাধ্য দেৱতাৰ ওচৰত আৰ্শীবাদ গ্ৰহণ কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে সুদূৰ য়ুনান প্ৰদেশৰ পৰা অসমলৈ পাটকাই পৰ্বত অতিক্ৰম কৰি এক দুঃসাহসিক যাত্ৰাৰ মাজেৰে স্বৰ্গদেউ চাওলুং চ্যুকাফাই ৰাজ্যত পদাৰ্পণ কৰিছিল। এই যাত্ৰাকালত বিভিন্ন প্ৰতিকূলতাৰ সন্মুখীন হৈও প্ৰবল ইচ্ছা শক্তি, কষ্ট সহিষ্ণুতা আৰু দূৰদৰ্শীতাৰে তেওঁ সেইসমূহ অতিক্ৰম কৰিছিল। বিভিন্ন ভাষা-ভাষী, কৃষ্টি-সংস্কৃতি পৰম্পৰাৰে পূৰ্ণ অসম ভূমিত আন্তৰিকতাৰে সকলোকে লগত লৈ ঐক্য, সমন্বয় আৰু সম্প্ৰীতিৰ ভেটিত তেওঁ বৰ অসমৰ ভেটি নিৰ্মাণ কৰিছিল। স্বৰ্গদেউ চ্যুকাফাৰ দুঃসাহসিক যাত্ৰাকে ধৰি তেওঁৰ জীৱন আৰু কৰ্মৰাজিৰ বিষয়ে সমগ্ৰ বিশ্বই জনা উচিত। ইয়াৰ বাবে ৰাজ্য চৰকাৰে যথোচিত পদক্ষেপ গ্ৰহণ কৰিছে আৰু এই ক্ষেত্ৰত ৰাজ্যবাসীক সহযোগিতাৰে আগুৱাই আহিবলৈ মুখ্যমন্ত্ৰী সোণোৱালে আহ্বান জনায়।

চ্যুকাফাৰ আদৰ্শৰে আগুৱাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসম তথা উত্তৰ-পূৰ্বাঞ্চলক দক্ষিণ-পূব এছিয়াৰ এক গুৰুত্বপূৰ্ণ স্থানৰূপে গঢ়ি তুলিবলৈ পদক্ষেপ গ্ৰহণ কৰিছে বুলি মুখ্যমন্ত্ৰী সোণোৱালে কয়।

স্বৰ্গদেউ চ্যুকাফাৰ সমন্বয় আৰু সম্প্ৰীতিৰ আদৰ্শৰে আগুৱাই গ'লে এই লক্ষ্য বাস্তৱায়িত হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে দৃঢ় মত প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী সোণোৱালে লগতে দক্ষিণ-পূব এছিয়াৰ দেশসমূহৰ সৈতে অধিক মত-বিনিময় আৰু কৃষ্টি-সংস্কৃতিৰ বিনিময়ৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

স্বৰ্গদেউ চ্যুকাফাৰ সমন্বয়ৰ আদৰ্শ জীয়াই ৰাখিবৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ ওপৰত আলোকপাত কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে অসম চৰকাৰে ৰাজ্যৰ সকলোবোৰ সৰু-বৰ জাতি-জনগোষ্ঠীৰ কলা-সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ পদক্ষেপ গ্ৰহণ কৰাৰ লগতে জনগোষ্ঠীসমূহৰ প্ৰবাদ পুৰুষসকলৰ দিসৰসমূহ উদ্‌যাপন কৰিছে। ৪২ গৰাকী আহোম স্বৰ্গদেউ স্মৃতি চিৰযুগমীয়া কৰাৰ বাবে চৰাইদেউত 'স্বৰ্গদেউ সমন্বয় ক্ষেত্ৰ' নিৰ্মাণৰ উপৰি জনতা ভৱন চৌহদত চ্যুকাফাৰ প্ৰতিমূৰ্তি স্থাপনৰ লেখীয়া পদক্ষেপো ৰাজ্য চৰকাৰে লৈছে। সেইদৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত ৰাজ্য চৰকাৰে চ্যুকাফা আসন প্ৰতিষ্ঠা কৰাৰ সমান্তৰালভাৱে কেন্দ্ৰীয় চৰকাৰে ঐতিহাসিক শিৱসাগৰক দেশৰ ৫ খন 'আইকনিক ক্ষেত্ৰ'ৰ অন্যতম হিচাপে ঘোষণা কৰিছে। অসম দিৱসৰ অনুষ্ঠানতে মুখ্যমন্ত্ৰী সোণোৱালে ৰাজ্যৰ শৈক্ষিক অনুষ্ঠানসমূহত 'নৃগোষ্ঠীয় অধ্যয়ন'ৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি আশ্বাস প্ৰদান কৰে। মুখ্যমন্ত্ৰী সোণোৱালে চলিত বৰ্ষৰ চ্যুকাফা বঁটা প্ৰাপক য়েছে দৰজে ঠংচিক অভিনন্দন জনোৱাৰ লগতে অসম আৰু আৰুণাচল প্ৰদেশৰ মাজত সম্প্ৰীতিৰ বান্ধোন অধিক শক্তিশালী কৰিবলৈ লোৱা পদক্ষেপৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।

চ্যুকাফা বঁটা গ্ৰহণ কৰি বিশিষ্ট সাহিত্যিক য়েছে দৰজে ঠংচিয়ে নিজৰ অনুভৱ ব্যক্ত কৰি কয় যে তেওঁৰ দ্বিতীয় মাতৃভাষা হৈছে অসমীয়া। অসমীয়া ভাষা তেওঁৰ প্ৰাণৰ ভাষা আৰু অসমীয়া ভাষাত লিখি তেওঁ অধিক ভাল পায়। সেয়ে এই ভাষাৰ বাহিৰে আন কোনো ভাষাত তেওঁ কিতাপ লিখা নাই। এই কথা প্ৰকাশ কৰি প্ৰতিথযশা সাহিত্যিকগৰাকীয়ে কয় যে বহুতে তেওঁক অসমীয়া মানুহ বুলিয়েই ভাবে।

অনুষ্ঠানত নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰি বিশিষ্ট তাই পণ্ডিত পুষ্প গগৈয়ে তাই ভাষা সংস্কৃতিৰ বিকাশৰ বাবে গ্ৰহণ কৰিবলগীয়া একাধিক পদক্ষেপৰ ওপৰত আলোকপাত কৰে। বিভিন্ন ঘাত-প্ৰতিঘাত অতিক্ৰমী তাই ভাষাক স্বীকৃতি প্ৰদানৰ বাবে পূৰ্বাঞ্চলীয় তাই সাহিত্য সভা গঠন কৰাকে ধৰি বিগত সময়ছোৱাত গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে তেওঁ কয়।

সভাত বক্তব্য ৰাখি সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী নৱ কুমাৰ দলেয়ে স্বৰ্গদেউ চাওলুং চ্যুকাফাৰ সমন্বয়ৰ আদৰ্শক অস্ত্ৰৰূপে লৈ সমাজৰ সকলো স্তৰৰ লোকে সমাজৰ সংহতি বিনষ্ট কৰিব খোজা অপশক্তিৰ বিনাশ কৰিব লাগিব বুলি কয়।

ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ ৰাজ্যিক (স্বাতন্ত্ৰ) মন্ত্ৰী যোগেন মহন, ৰাজ্য সভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাচা আৰু যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈয়েও সভাত বক্তব্য প্ৰদান কৰে। স্থানীয় বিধায়ক চক্ৰধৰ গগৈয়ে নিজৰ ভাষণত কয় যে চাওলুং চ্যুকাফাই যিদৰে ৰাজনৈতিক বিচক্ষণতাৰে সকলো জাতি-জনগোষ্ঠীক একত্ৰিত কৰি একতাৰ ডোলেৰে বান্ধিছিল সেই আদৰ্শৰে মুখ্যমন্ত্ৰী সোণোৱালেও নিজৰ কাম আৰু কথাৰে আসমীয়া জাতিসত্ত্বাক এক কৰা আৰু সকলো জাতি-জনগোষ্ঠী,

**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

ভাষা-ভাষী লোকৰ মাজত সমন্বয় অটুট ৰখাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে।

সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সচিব মাধুৰীমা সেন বৰুৱাই আদৰণী ভাষণ প্ৰদান কৰা অসম দিৱসৰ এই কেন্দ্ৰীয় কাৰ্যসূচীত মুখ্যমন্ত্ৰী সোণোৱালে 'ধেমেচী' শীৰ্ষক এখন স্মৃতিগ্ৰন্থও উন্মোচন কৰে। এই সভাত বিধায়কসকল ক্ৰমে প্ৰশান্ত ফুকন, ঋতুপৰ্ণ বৰুৱা, কুশল দুৱৰী, বিমল বৰা, তেৰচ গোৱালা, নৱনীতা সন্দিকৈ, সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ডিপু ৰঞ্জন মাক্ৰাৰী, ৰাজ্যিক পৰ্যায়ৰ ছাত্ৰ আৰু যুৱ কল্যাণ উপদেষ্টা সমিতিৰ সদস্য সচিব লক্ষ্য কোঁৱৰ, পূৰ্বাঞ্চল তাই সাহিত্য সভাৰ সভাপতি ড° দয়ানন্দ বুৰগোহাই, ডিব্ৰুগড় জিলা উপায়ুক্ত পল্লৱ গোপাল ঝা প্ৰমুখ্যে বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**বীঃগঃ**

**২/১২/২০২০**